# Telephone Conversation between PM and Prime Minister of Nepal

April 10, 2020

---

# প্ৰধানমন্ত্ৰীৰ সৈতে নেপালৰ প্ৰধানমন্ত্ৰীৰ টেলিফোনত বাৰ্তালাপ

এপ্ৰিল 10, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে আজি নেপালৰ প্ৰধানমন্ত্ৰী মাননীয় শ্ৰী কে পি শৰ্মা অ'লীৰ সৈতে টেলিফোন যোগে বাৰ্তালাপত মিলিত হয়।

দুয়োগৰাকী নেতাই সাম্প্ৰতিক ক'ভিড–19য়ে সৃষ্টি কৰা সংকট আৰু ইয়াৰ ফলত দুয়ো দেশৰ নাগৰিকসকলৰ স্বাস্থ্যৰ ক্ষেত্ৰত আহা প্ৰত্যাহ্বান আৰু সুৰক্ষাৰ সন্দৰ্ভত মতামত ব্যক্ত কৰে। পৰস্পৰ দেশে এই মহামাৰীৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়েও তেওঁলোকে আলোচনা কৰে।

প্ৰধানমন্ত্ৰী অ'লীৰ নেতৃত্বত যিদৰে নেপাল চৰকাৰে এই সংকটৰ সৈতে মোকাবিলা আৰু ব্যৱস্থাপনা কৰা কৰিছে তথা এই প্ৰত্যাহ্বানৰ বিৰুদ্ধে যুঁজিবলৈ নেপালৰ লোকসকলৰ শক্তিশালী সংকল্পৰ কাৰণে প্ৰধানমন্ত্ৰী মোডীয়ে প্ৰশংসা কৰে।

প্ৰধানমন্ত্ৰী অ'লীয়ে ছাৰ্ক দেশসমূহৰ মাজত মহামাৰীৰ বিৰুদ্ধে যুঁজত পাৰস্পৰিক সমন্বয় গড়ি তোলাৰ বাবে প্ৰধানমন্ত্ৰী মোডীৰ প্ৰচেষ্টাৰ শলাগ লয়। তেওঁ ভাৰতে নেপাললৈ আগবঢ়োৱা দ্বিপাক্ষিক সহায়ৰ বাবে ধন্যবাদ জনায়।

এই বৈশ্বিক মহামাৰীৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত নেপালৰ প্ৰচেষ্টাৰ প্ৰতি ভাৰতে যথাযথ সাহাৰ্য আগবঢ়াব বুলি প্ৰধানমন্ত্ৰী মোডীয়ে প্ৰতিশ্ৰুতি ব্যক্ত কৰে।

সীমান্তত অত্যাৱশ্যকীয় সামগ্ৰীৰ যোগানকে ধৰি দুয়োগৰাকী নেতাই ক'ভিড-১৯ৰ বাবে সৃষ্টি হোৱা সকলো বিষয়ৰ ক্ষেত্ৰত তেওঁলোকৰ বিশেষজ্ঞ আৰু বিষয়াসকলৰ মাজত সঘনে যোগাযোগ অব্যাহত ৰখাৰ সন্দৰ্ভত সহমত পোষণ কৰে।

প্ৰধানমন্ত্ৰী মোডীয়ে নেপালৰ প্ৰধানমন্ত্ৰী আৰু নেপালবাসীৰ সু-স্বাস্থ্য আৰু কল্যাণৰ বাবে শুভকামনা জনায়।

**নতুন দিল্লী**
**এপ্ৰিল 10, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.